بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**হজৰত মছীহ মাওউদ (আঃ)ৰ আগমনৰ উদ্দেশ্য আৰু যুগৰ সংস্কাৰকৰ প্ৰয়োজন। পশ্চিম এছিয়াৰ যুদ্ধ পৰিস্থিতি সম্পৰ্কে বিশেষ দোৱাৰ আহ্বান।**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৪ নৱেম্বৰ ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ লিখনি আৰু নিজৰ বক্তব্য সমূহত অসংখ্য বাৰ নিজৰ আগমনৰ উদ্দেশ্য আৰু এই যুগত এজন সংশোধনকাৰীৰ প্ৰয়োজনীয়তা সম্পৰ্কে বৰ্ণনা কৰিছে। এয়া দৃঢ় ভাৱে প্ৰমাণিত কৰি দিছে যে আল্লাহ তা'লাৰ ফালৰ পৰা তেখেত (আঃ)ৰ আগমন কৰাটো যুগৰ প্ৰয়োজনীয়তা আছিল আৰু এয়া আল্লাহ তা'লাৰ ছুন্নত আৰু আঁহজৰত (ছাঃ)ৰ ভৱিষ্যদ্বাণী অনুযায়ী বাস্তবায়িত হৈছে।

গতিকে তেখেত (আঃ)য়ে কৈছে মীমাংসাৰ বাবে মই এয়া প্ৰকাশ কৰিব বিচাৰো যে খোদা তা'লাই এই যুগক অন্ধকাৰত নিমজ্জিত থকা দেখা পাই আৰু জগতবাসীক এলাহ, কুফৰ আৰু শিৰিকত ডুব যোৱা দেখা পাই ঈমান আৰু সততা আৰু তাকওৱা আৰু সাধুতা নষ্ট হৈ যোৱা পৰিলক্ষিত কৰি মোক পঠিয়াইছে যাতে এই সকলোবোৰ আকৌ জগতত প্ৰতিষ্ঠিত হয় আৰু শৈক্ষিক,নৈতিক,চাৰিত্ৰিক আৰু ঈমানৰ সত্যতা বিৰাজমান হয়। আৰু যাতে ইছলামক দাৰ্শনিক, বাস্তৱবাদী,অংশীবাদিতা, নাস্তিকতাৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিব পাৰে। হে সত্যৰ অনুসন্ধানী সকল ! চিন্তা কৰি চোৱা, কিয় এই সময়টো সেই সময় নহয় নে, য'ত ইছলামৰ নিমিত্তে আচমানী (দৈৱ) সহায়ৰ প্ৰয়োজন হৈছে। তোমালোকৰ চকুৰ আগত এয়া প্ৰমাণিত হোৱা নাই নে, বিগত শতাব্দীত যি তেৰশ শতাব্দী আছিল, কেনেকুৱা কঠিন সমস্যা ইছলামৰ ওপৰত জাপ খাই পৰিছিল। আৰু অন্ধতাই আমাক অসহ্যকৰ দুখ দিছিল। কিয়! এতিয়াও তোমালোকে জনা নাই নে, কি কি বিপদে ইছলামক ঘেৰাও কৰি ৰাখিছে ? বৰ্তমানে তোমালোকে খবৰ পাই থকা নাইনে কিমান লোকে ইছলাম এৰি ঈছাইয়ত গ্ৰহণ কৰি আছে ? কিমান লোক নাস্তিকত পৰিণত হৈ আছে ? আৰু কিমান ডাঠকৈ শিৰিক, বিদা'তে তৌহিদ আৰু ছুন্নতক আৱৰি ধৰি ইয়াৰ ঠাই

অধিকাৰ কৰিবলৈ লৈছে আৰু ইছলামৰ বিৰুদ্ধে কিমান কিতাপ লিখা হৈ আছে, ছপা কৰা হৈ আছে ? গতিকে এতিয়া তোমালোকে ভাবি চিন্তি উত্তৰ দিয়া যে কিয় এতিয়া প্ৰয়োজন পৰা নাছিল নে যে খোদা তা'লাই এই শতাব্দীত এজন ব্যক্তিক পঠাই দিয়ে আৰু সি আহি বাহিৰা আক্ৰমণবোৰ প্ৰতিহত কৰে। যদি তোমালোকে তেনেকুৱা ভৰা তেন্তে ইলাহি অনুগ্ৰহ বাতিল নকৰিবা আৰু সেই ব্যক্তিজনৰ সৈতে অমিল হৈ নেথাকিবা, যাৰ এই শতাব্দীত অহাটো শতাব্দীৰ প্ৰয়োজনীয়তা আছিল আৰু যাৰ খবৰ আঁহজৰত (ছাঃ)য়ে আৰম্ভণীৰে পৰাই দিছিল।

এনেদৰে কোনোবা আগমনকাৰীৰ সত্যতা নিৰূপন কৰাৰ নিয়ম আৰু উপায় বৰ্ণনা কৰোঁতে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে, কোনো এজন ব্যক্তি তাৰ কথাত সত্য হ'বলৈ এয়া প্ৰয়োজন নহয় যে তাৰ খোলামেলা খবৰ কোনো আচমানী কিতাপত লিপিবদ্ধ থাকিব লাগিব। যদি এই চৰ্ত অত্যাৱশ্যকীয় হয় তেন্তে কোনো নবীৰেই নবুয়ত প্ৰমাণিত নহ'ব। প্ৰকৃত সাৰমৰ্ম হ'ল এয়া যে কোনো ব্যক্তিৰ নবুয়তৰ সত্যতাৰ বাবে প্ৰথমে যুগৰ প্ৰয়োজনীয়তাক গুৰুত্ব দিব লাগিব। তাৰ পিছত দেখিব লাগিব যে ব্যক্তিজন নিৰ্দিষ্ট সময়ছোৱাত আহিছে নে নাই। তাৰ পিছত চাব লাগিব যে শত্ৰু সকলে যি অভিযোগ উত্থাপন কৰিছে সেই অভিযোগ বিলাকৰ সঠিক উত্তৰ দিছে নে নাই।

যেতিয়া এই সকলোবোৰ বিষয় পূৰ্ণ হ'ব তেতিয়া মানি লোৱা যাব যে সেই জন ব্যক্তি সত্য আৰু এয়া নহলে সত্য নহয়। এতিয়া স্পষ্ট হৈ পৰিছে যে যুগে চাহিদা প্ৰকাশ কৰি আছে যে বৰ্তমানে ইছলামী বাদ-বিবাদ দূৰ কৰিবলৈ আৰু বাহিৰা আক্ৰমণৰ পৰা ইছলামক বচাবলৈ আৰু জগতৰ পৰা হেৰাই যোৱা ৰূহানিয়ত আকৌ প্ৰতিষ্ঠা কৰিবলৈ নিঃসন্দেহ এজন আচমানী প্ৰদত্ত সংস্কাৰকৰ প্ৰয়োজন হৈ পৰিছে। যিয়ে আকৌ বিশ্বাস স্থাপন কৰোৱাই ঈমানৰ শিপাত পানী ঢালিব, আৰু এনেদৰে গোনাহৰ পৰা আঁতৰাই নেকি আৰু সাধুতাৰ ফালে ঘূৰাই লৈ আনিব। গতিকে এই প্ৰয়োজনৰ সময়ত মোৰ আগমন এনেকুৱা স্পষ্ট যে মই ধাৰণাই কৰিব নোৱাৰো যে কোনোবাই এয়া আত্মম্ভৰিতা বিহনে অস্বীকাৰ কৰিব পাৰে। দ্বিতীয় চৰ্ত হ'ল চাব লাগিব যে নবী অহাৰ নিৰ্দিষ্ট সময় ছোৱাত ব্যক্তিজনৰ আৱিৰ্ভাব ঘটিছে নে নাই। এই চৰ্তও মোৰ আগমনৰ সৈতে পূৰ্ণ হৈছে। কাৰণ নবী সকলে এয়া ভৱিষ্যদ্বাণী কৰিছিল যে যেতিয়া ছয় হাজাৰৰ অন্ত পৰিব তেতিয়া সেই মছীহ মাওউদৰ আৱিৰ্ভাব ঘটিব। গতিকে চন্দ্ৰ মাহৰ হিচাপত হজৰত আদম (আঃ)ৰ হিচাপত হজৰত আদম (আঃ)ৰ পৰা আহি আজি ছয় হাজাৰ বছৰ পাৰ হৈ গৈছে আৰু শ্বামছি মাহৰ গণনাত ছয় হাজাৰ বছৰ পাৰ হ'বলৈ লৈছে। ইয়াৰ ওপৰি আমাৰ নবী (ছাঃ)য়ে কৈছে যে প্ৰত্যেক শতাব্দীৰ শিৰোভাগত মুজাদ্দিদৰ আৱিৰ্ভাব ঘটিব, যিজনে দ্বীনক সতেজ কৰি তুলিব আৰু এতিয়া চৈধ্যশ শতাব্দীৰ ২১ বছৰ পাৰ হৈ গৈছে আৰু ২২ বছৰত ভৰি দিছে (এয়া হিজৰী চনৰ গণনা) কিয় এই সময় ছোৱায় ইঙ্গিত বহন নকৰেনে যে মুজাদ্দিদৰ আৱিৰ্ভাব ঘটিছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে অআহমদী সকলে এই বিষয়টো মানি লওঁক বা নলওঁক আৰু বিৰুদ্ধবাদী সকলে হজৰত মছীহ মাওউদ (আঃ)সত্যতাক বিশ্বাস কৰক বা নকৰক কিন্তু ইছলামে নিজে নিজৰ বাবে উচ্চস্বৰে মাতি আছে যে ইছলামৰ বাবে কোনো মেহেদী আৰু মুচলেহৰ প্ৰয়োজন হৈ পৰিছে যিয়ে ইছলামৰ কিস্তি খনৰ বঠা ধৰি চম্ভালি ল'ব।

কিন্তু যিজনে আহিবলগীয়া আছিল যিজনে ভৱিষ্যদ্বাণী অনুযায়ী আহি পাইছে, যিজনে সময়ৰ প্ৰয়োজনীয়তা অনুযায়ী আহিছে তাক মালি ল'বলৈ প্ৰস্তুত নহয়, হজৰত মছীহ মাওউদ (আঃ)য়ে কেৱল দাবীয়ে কৰা নাই; বৰং এই দাবীৰ সৈতে অসংখ্য নিচানও প্ৰকাশ কৰিছে। এঠাইত তেখেত (আঃ)য়ে কৈছে যে আজিৰ পৰা ত্ৰিছ বছৰ আগতে বাৰাহিনে আহমদীয়া নামৰ কিতাপ খনত ইলহাম লিপিবদ্ধ কৰা হৈছে যে মানুহে যৎপৰনাস্তি চেষ্টা কৰিব

এই ছিলছিলাক মচি পেলাবলৈ আৰু নানা ধৰণৰ চয়তানি বুদ্ধি খটাব এই ছিলছিলাৰ বিৰুদ্ধে। কিন্তু আল্লাহ তা'লা কৈছে মই এই ছিলছিলাক আগবঢ়াই লৈ যাম আৰু পূৰ্ণতা দান কৰিম আৰু এয়া এটা বাহিনী হৈ পৰিব আৰু কিয়ামতলৈকে ইয়াৰ বিজয় অক্ষুন্ন থাকিব। আৰু মই তোমাৰ নাম বিশ্বৰ প্ৰান্ত প্ৰান্তলৈ জনাজাত কৰি দিম আৰু দলে দলে লোক আহিব আৰু চাৰিওফালৰ পৰা ধনমালৰ সহায় আহি থাকিব আৰু ঘৰ আহল-বহল কৰা, ইয়াৰ প্ৰস্তুতি আচমানত চলি আছে। এতিয়া চোৱা! এই ভৱিষ্যদ্বাণী কোনটো যুগৰ বাবে আছিল যি আজি আহি পূৰ্ণ হৈছে যাৰ দৃষ্টি শক্তি আছে, তেওঁ প্ৰত্যক্ষ কৰি আছে। কিন্তু অন্ধৰ ওচৰত এতিয়াও কোনো নিদৰ্শন প্ৰকট হোৱা নাই।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজিও জামাতে আহমদীয়াৰ উন্নতি আৰু লোকৰ জামাত গ্ৰহণ আৰু জামাতৰ সদস্য সকলে কোৰবানীৰ দিশত আগবাঢ়ি যোৱাটো হজৰত মছীহ মাওউদ (আঃ)ৰ সত্যতাৰ প্ৰমাণ।

বৰ্তমানে বিশ্বৰ এনে কোনো এখন দেশ নাই যে তাত হজৰত মছীহ মাওউদ (আঃ)ৰ পয়গাম পৌচাই যোৱা নাই। আৰু এনেকুৱা নাই যে তেখেত (আঃ)ৰ পয়গামত পৱিত্ৰ ৰূহ বিলাকে ইছলামৰ ফালে আগুৱাই অহা নাই। কিছুমান ঠাইত এনেকুৱা ঘটনাও ঘটিছে যে আল্লাহ তা'লা নিজে কিছুমান লোকক পথ-প্ৰদৰ্শন কৰি দিছে আৰু তেওঁলোকে আহি জামাত গ্ৰহণ কৰিছে। বিৰুদ্ধবাদী সকলৰ বিৰুদ্ধাচৰণ নেওচি মানুহে জামাত গ্ৰহণ কৰিছে। আল্লাহ তা'লা সিহঁতৰ ঈমান মজবুত কৰি দিছে আৰু আজিও কৰিয়ে আছে। আজিও আমি যিবোৰ ইলাহি সহায়ৰ দৃশ্য অৱলোকন কৰি আছো। এয়া এজন আহমদীৰ ঈমান মজবুতিৰ মাধ্যমে বুলিব পাৰি।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে গোটেই বিশ্বৰ পৱিত্ৰ সম্পন্ন লোকৰ কবুলে হ'ক আৰু ঈমান আৰু বিশ্বাসত উন্নতি কৰি যোৱাৰ কিছুমান ঘটনা বৰ্ণনা কৰিছে। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় কেনেকৈ আল্লাহ তা'লা মানুহৰ হৃদয় ইছলাম আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ ফালে আকৰ্ষিত কৰি আছে। ক'ত তেওঁলোকে ঈছাইয়তাৰ বিশ্বত খোপনি পুতাৰ পৰিকল্পনা কৰি আছিল আৰু ক'ত এতিয়া তেওঁলোকে হজৰত মহম্মদ (ছাঃ)ৰ পতাকা তলত আহি জমা হ'বলৈ লৈছে। এই সকলোবোৰ দৃশ্য দেখি মেলিও নামধাৰী ধৰ্মৰ ঠিকাদাৰ সকলৰ চকুত পোহৰ পৰা নাই। তেন্তে এতিয়া তেওঁলোকৰ বিষয়টো খোদা তা'লাৰ হাতত। হজৰত মছীহ মাওউদ (আঃ)ৰ জৰিয়তে আল্লাহ তা'লা ইছলামৰ যি পয়গাম জগতৰ প্ৰান্তে প্ৰান্তে পৌচাই দিয়াৰ কথা আছিল সেয়া জামাতে আহমদীয়াই কৰি আছে। যিয়েই নহওঁক ইনশা আল্লাহ জামাত বাঢ়িব, উন্নতি কৰিব, খোদা তা'লাৰ এই কামত কোনেও বাধা দি ৰাখিব নোৱাৰে। কিন্তু প্ৰত্যেকজন আহমদীয়ে এই কথাখিনি বুজি পাব লাগিব যে কেৱল হজৰত মছীহ মাওউদ (আঃ)ৰ দাবী মানি লোৱাই যথেষ্ট নহয় বৰং আমি আমাৰ মাজত এটা পৱিত্ৰ পৰিৱৰ্তন সাধন কৰিব লাগিব। যি আল্লাহ তা'লাৰ প্ৰদত্ত শিক্ষাৰ প্ৰকৃত চিত্ৰ হয়; আৰু আঁহজৰত (ছাঃ)ৰ ছুন্নতৰ ওপৰত চলাৰ কাৰ্যকৰী ছবি হয়। আৰু যেতিয়া এনেকুৱা হ'ব তেতিয়াহে আমি আল্লাহ তা'লাৰ ফজলৰ ওৱাৰিশ হ'ব পাৰিম। আল্লাহ তা'লা ইয়াৰ বাবে আমাক তৌফিক দান কৰক।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে পেলেষ্টাইনৰ নিপীড়িত মুছলমান সকলৰ বাবে বিশেষ দোৱাৰ আহ্বান জনায় আৰু কয় যে পেলেষ্টাইনৰ শান্তিৰ বাবে সদায় দোৱা কৰিব, আল্লাহ তা'লা তেওঁলোকৰ এই বিপদৰ পৰা, অত্যাচাৰৰ পৰা ৰেহাই দিয়ক। খবৰত আছে যে মাত্ৰ কেই দিন মানৰ বাবে যুদ্ধ বন্ধ কৰা হৈছে যাতে মৌলিক সমস্যাবোৰত সহায় পাব পাৰে। কিন্তু ইয়াৰ পিছত আকৌ কি হ'ব কি চলিব ? সহায়ৰ পিছত আকৌ মৰা-কটা আৰম্ভ হ'ব নেকি ? ইজৰাইলৰ চৰকাৰৰ পৰিকল্পনা বিপদজনক বুলি অনুমান হৈ আছে। কাৰণ তেওঁলোকৰ চৰকাৰৰ এজন উপদেষ্টাই যোৱা পৰহি ঘোষণা কৰিছে যে যদি যুদ্ধ বন্ধ ৰখাৰ পিছত আকৌ সোনকালে যুদ্ধ আৰম্ভ কৰা নহয় তেন্তে মই চৰকাৰৰ পৰা ওলাই যাম। এনেকুৱা পৰিস্থিতিৰ চিন্তা-ধাৰা তেওঁলোকৰ মাজত চলি আছে।

ডাঙৰ ডাঙৰ শক্তি বিলাকে মত বিনিময় কৰি আছে, সহানুভূতি দেখুৱাই আছে কিন্তু ন্যায়ৰ পৰিধিৰ ভিতৰত আহিব বিচৰা নাই আৰু এই বিষয়ে তেওঁলোকে একো চিন্তিত নহয়। তেওঁলোকে ভাবি আছে এইবোৰ তাতেই সীমাবদ্ধ থাকিব। কিন্তু চিন্তাশীল ব্যক্তি সকলে মত প্ৰকাশ কৰি আছে যে এই যুদ্ধ ইখিনিতে সীমাবদ্ধ হৈ নাথাকে, বৰং লাহে লাহে বিস্তাৰ লাভ কৰিব আৰু তেওঁলোকৰ দেশ চুই যাব।

মুছলমান দেশ বিলাকৰ চৰকাৰে প্ৰতিবাদ কৰিবলৈ আৰম্ভ কৰিছে।যেনেকৈ চৌদি আৰবৰ ৰজায় কৈছে যে মুছলমান সকলৰ এটা ঐক্য মঞ্চ হ'ব লাগে আৰু একমত হোৱা উচিত আৰু ইয়াৰ বাবে সকলোৱে বেগেৰে চেষ্টা চলাব লাগিব। আল্লাহ তা'লা এওঁলোকক যিহেতু এয়া উপলব্ধি কৰা জ্ঞান দিছে তেন্তে এয়া কাৰ্যকৰী কৰাৰ তৌফিক দান কৰক। যিয়েই নহওক সকলোৱে দোৱাৰ ফালে মনোযোগ দিব লাগিব।

খোতবাৰ শেষত হুজুৰ (আইঃ)য়ে ৫ জন মৰহুমৰ বিষয়ে চমু বিৱৰণ দিয়ে আৰু নামাজে জানাজা গায়েব পঢ়াত ঘোষণা কৰে। মৰহুমিন সকলৰ মাজত আছে মাননীয় আব্দুছ ছালাম আৰিফ চাহাব মুৰব্বী ছিলছিলা, মাননীয় কাছিম খান চাহাব কানাডা প্ৰাক্তন নায়েব নাজিৰ বায়তুল মাল খৰচ, মাননীয় আব্দুল কৰিম কুদুছি চাহাব (এজন লিখক) মিয়া ৰফিক আহমদ গোন্দেল চাহাব আৰু মাননীয়া নছিমা লায়েক চাহিবা আমেৰিকা পত্নী ছৈয়দ লায়েক আহমদ চাহাব (শ্বহীদ মিডল টাউন) লাহোৰ হুজুৰ আনোৱাৰ (আইঃ)য়ে সকলো মৰহুমিন আত্মাৰ সদগতিৰ বাবে দোৱা কৰে। আল্লাহ তা'লা মৰহুমিন সকলৰ মৰ্যদা উন্নীত কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 24 Nov 2023**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................

..........................................................................................................

..........................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844